**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 09-04-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

---------------------------

***Headlines***

১। ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ অব্যাহত। দিনৰ ১১ বজালৈ প্ৰায় ৩৯ শতাংশ ভোটদান।

২। নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া নিৰীক্ষণৰ বাবে অসমলৈ অহা ৭ খন দেশৰ প্ৰতিনিধিৰ আজি কামৰূপ জিলাৰ ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন।

৩। কাইলৈ ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা।

আৰু

৪। মহিলা আৰু শিশুৰ পুষ্টি নিশ্চিত কৰাৰ বাবে আজিৰেপৰা দেশজুৰি অষ্টম **পৰিপুষ্টি পযেক**।

ooooooo

ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিৰ বাবে একেটা পৰ্যায়ত আজি পুৱা ৭ বজাৰ পৰা শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ চলি আছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি দিনৰ ১১ বজালৈ সামগ্ৰিক ভোটদানৰ হাৰ ৩৮ দশমিক ৯-২ শতাংশ। নিচেই পুৱাৰে পৰা ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ বাহিৰত ভোটদাতাৰ দীঘলীয়া শাৰী পৰিলক্ষিত হৈছে। ঠাই বিশেষে প্ৰতিকুল বতৰকো নেওচি নাগৰিকসকল ভোটদানৰ বাবে ওলাই অহা বুলি আমাৰ বিভিন্ন জিলাৰ সংবাদদাতাসকলে জানিবলৈ দিছে। **নলবাৰী** জিলাত দিনৰ ১১ বজালৈ ৩৭ দশমিক ৩ - ৮ শতাংশ ভোটদান হয় বুলি জিলা নিৰ্বাচনী বিষয়াৰ উদ্ধৃতি দি আমাৰ সংবাদদাতাই জনাইছে। **কামৰূপ মহানগৰ** জিলাত চাৰিটা সমষ্টিত ১১ বজালৈ সামগ্ৰিকভাৱে প্ৰায় ৩১ দশমিক ৮ - ৭ শতাংশ ভোটদান হোৱা বুলি আমাৰ সংবাদদাতাই জনাইছে। **ডিব্ৰুগড়** জিলাৰ ছটা বিধানসভা সমষ্টিত দিনৰ ১১ বজালৈ ৩৭ দশমিক ৬ - ৯ শতাংশ ভোটদান হোৱা বুলি নিৰ্বাচন বিভাগে প্ৰকাশ কৰিছে। **ধেমাজি** জিলাৰ তিনিটা সমষ্টিত দিনৰ ১১ বজা পৰ্যন্ত ৩৯ শতাংশৰো অধিক ভোটদান হৈছে। **দৰং** জিলাৰ তিনিটা সমষ্টিত প্ৰায় ৪১ শতাংশ ভোটদান হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে। ভোটদানৰ শেহতীয়া তথ্যৰ সৈতে এয়া আমাৰ সংবাদদাতা ময়ুখ গোস্বামী –

বাইট

**মৰিগাঁৱতো** ১১ বজালৈকে ৪২ দশমিক ৮ - ০ শতাংশ ভোটদান হোৱাৰ তথ্য পোৱা গৈছে। **যোৰহাট** জিলাত দিনৰ ১১ বজা পৰ্যন্ত চাৰিটা সমষ্টিত ৩৮ দশমিক ৯ - ১ শতাংশ ভোটদানৰ তথ্য পোৱা গৈছে। একেদৰে **চিৰাং** জিলাৰ তিনিটা সমষ্টিত ৩৮ শতাংশৰো অধিক ভোটদান হোৱাৰ তথ্য লাভ কৰা হৈছে। **মাজুলী** সমষ্টিৰ অন্তৰ্গত ১৮৮ টা ভোটগ্ৰহণ কেন্দ্ৰত দিনৰ ১১ বজালৈ ৪৪ শতাংশৰো অধিক ভোটদান হৈছে। জিলাখনত ভোটদানৰ হাৰ ৰাজ্যৰ ভিতৰতে সৰ্বাধিক। **নগাঁও** জিলাৰ ছটা বিধানসভা সমষ্টিত ৩৯ দশমিক ২ - ০ শতাংশ ভোটদান হোৱাৰ বাতৰি আহিছে। হাইলাকান্দিত ৩৬ শতাংশ, বজালী জিলাত ৪০ বৰপেটা আৰু বিশ্বনাথত ৩৯, কাছাৰত ৩৮, বঙাইগাঁৱত ৪০, চৰাইদেউত ৩৯, ধুবুৰীত ৪০,

ডিমাহাচাওত ৩৮, গোৱালপাৰাত ৪৩, হোজাইত ৪০, কামৰূপ জিলাত ৪১, কাৰ্বি আংলঙত ৩৩, কোকৰাঝাৰত ৩৮, লখিমপুৰত ৩৯, শিৱসাগৰত ৩৮, শোণিতপুৰত ৩৯, দক্ষিণ শালমাৰা মানকাচৰত ৪২, শ্ৰীভূমিত ৩৮, তামুলপুৰত ৩৫, তিনিচুকীয়া আৰু ওদালগুৰিত ৩৭ আৰু পশ্চিম কাৰ্বি আংলঙত ৩৫ শতাংশৰো অধিক ভোটদাতাই এই পৰ্যন্ত গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে।

**দিছপুৰ** সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ আৰু মধ্য গুৱাহাটীৰ বিজেপি প্ৰাৰ্থী বিজয় গুপ্তাই পুৱাতে ভোটৰ অধিকাৰ সাব্যস্ত কৰে। কেন্দ্ৰীয় মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই যোৰহাটৰ জেইল ৰোড ক্লাবত ভোটদান কৰে। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা বঢ়মপুৰ সমষ্টিৰ বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰাজেন গোহাঁইয়ে আজি নগাঁও চহৰৰ দচন উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ ভোটকেন্দ্ৰত ভোটদান কৰে। গোলাঘাটত বিজেপিৰ প্ৰাৰ্থী তথা মন্ত্ৰী অজন্তা নেওগে ভোটৰ অধিকাৰ সাব্যস্ত কৰিছে। নগাঁও জিলাৰ কলিয়াবৰ সমষ্টিৰ ৯৯ নম্বৰ অংগনৱাড়ী ভোটগ্ৰহণ কেন্দ্ৰত অসম গণ পৰিষদৰ প্ৰাৰ্থী কেশৱ মহন্তই ভোটদান কৰে। নলবাৰীৰ ছানকুছি হাইস্কুলৰ ভোটকেন্দ্ৰত বিজেপি প্ৰাৰ্থী জয়ন্ত মল্লবৰুৱাই আৰু যোৰহাটত বিজেপি প্ৰাৰ্থী হিতেন্দ্ৰ নাথ গোস্বামীয়ে ভোটদান কৰে। লোকসভাৰ কংগ্ৰেছৰ উপ-দলপতি তথা যোৰহাট সমষ্টিৰ প্ৰাৰ্থী গৌৰৱ গগৈয়েও গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। খোৱাঙত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী লুৰিণজ্যোতি গগৈয়ে ভোটদান কৰে।

চিৰাং জিলাত বিজনী বিধানসভা সমষ্টিৰ ইউ পি পি এলৰ প্ৰাৰ্থী কমলসিং নাৰ্জাৰীয়ে আজি বিজনী বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয় ভোটকেন্দ্ৰত ভোটদান কৰে। ইউ পি পি এলৰ মুৰববী প্ৰমোদ বড়োৱেও ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছে।

(বাইট)

**পশ্চিম কাৰ্বি আংলং** জিলাৰ আম্‌ৰি বিধানসভা সমষ্টিৰ বাছাপ’ প্ৰাথমিক বিদ্যালয়ত বিজেপি প্ৰাৰ্থী ডাঃ হাবে টেৰাণে ভোটদান কৰে। **শিৱসাগৰ** সমষ্টিৰ বিধায়ক তথা সমষ্টিটোৰ ৰাইজৰ দলৰ প্ৰাৰ্থী অখিল গগৈয়ে আজি লখিমী নগৰ প্ৰাথমিক বিদ্যালয়ত ভোটদান কৰে। বিজেপিৰ বৰক্ষেত্ৰী সমষ্টিৰ প্ৰাৰ্থী নাৰায়ণ ডেকাই আজি মুকালমুৱাত পুৱাতে ভোটদান কৰে। চিৰাং জিলাত চিদলী চিৰাং বিধানসভা সমষ্টিৰ প্ৰাৰ্থী ৰঞ্জিত বসুমতাৰীয়ে বেংতল বিক্ৰমপুৰ প্ৰাথমিক বিদ্যালয়ত ভোটৰ অধিকাৰ সাব্যস্ত কৰে।

**ধেমাজি** জিলাৰ ধেমাজি, চিচিবৰগাঁও আৰু জোনাই বিধানসভা সমষ্টিত পুৱা ৭ বজাৰ পৰা ভোটদান প্ৰক্ৰিয়া চলি আছে। ধেমাজিৰ সংবাদদাতা হৰেন্দ্ৰ নাথ শৰ্মাই জনোৱা মতে ধেমাজিৰ পশ্চিম গোগামুখ এম ই স্কুলৰ ভোটগ্ৰহণ কেন্দ্ৰত পুৱাই ধেমাজিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ডাঃ ৰণোজ পেগুৱে ভোটদান কৰে।

**শিৱসাগৰ**ৰ ডিমৌ শিৱসাগৰ আৰু নাজিৰাৰ মুঠ ৭৪৮টা ভোটকেন্দ্ৰত পুৱাৰে পৰা শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ চলি থকা বুলি আমাৰ সংবাদদাতাই জনাইছে।

**নগাঁৱতো** পুৱাৰে পৰা ভোটদান প্ৰক্ৰিয়া চলি আছে। প্ৰাক্তন মন্ত্ৰী, সাংসদ বিজেপিৰ প্ৰদ্যুৎ বৰদলৈয়ে বটদ্ৰৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰঘাটৰ মৰিকলং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোটাধিকাৰ সাব্যস্ত কৰে।

**কাৰ্বি আংলং** জিলাৰ বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰতো পুৱাৰে পৰা ভোটদান প্ৰক্ৰিয়া চলি আছে। হাওৰাঘাট সমষ্টিৰ অন্তৰ্গত বৰগঙ্গা চৰকাৰী প্ৰাথমিক বিদ্যালয়ত ভোটগ্ৰহণ কেন্দ্ৰত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী লুনছিং টেৰণে পুৱাই ভোটদান কৰে।

**গোলাঘাট** জিলাতো পুৱাৰে পৰা ভোটদান প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে চলি আছে। জিলাখনৰ খুমটাই সমষ্টিৰ বিজেপি প্ৰাৰ্থী মৃণাল শইকীয়াই পুৱাই ভোটদান কৰে।

oooooooo

বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া নিৰীক্ষণ কৰাৰ উদ্দেশ্যে কালি অসমলৈ অহা ৭ খন দেশৰ ১২ গৰাকী বিদেশী প্ৰতিনিধিৰ দলে বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰিছে। এঙ্গোলা, ইজিপ্ত, পৰ্টুগাল, মেক্সিকো, শ্ৰীলংকা, বেনিন আৰু ক্ৰোৱেছিয়াৰ প্ৰতিনিধিৰ দলটোৱে আজি জিলাখনৰ হাজো শুৱালকুছি আৰু কমলপুৰ বিধানসভা সমষ্টিৰ বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰে। এই ভ্ৰমণৰ লক্ষ্য হৈছে দেশৰ নিৰ্বাচন আয়োগৰ দ্বাৰা পৰিচালিত শক্তিশালী, সৰ্বাত্মক আৰু প্ৰযুক্তিগত নিৰ্বাচনী ব্যৱস্থাৰ সৈতে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ক পৰিচিত কৰোৱা। তদুপৰি মুক্ত তথা ন্যায়সংগত আৰু সৰ্বাত্মক নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে গ্ৰহণ কৰিবলগীয়া প্ৰস্তুতি আৰু প্ৰশাসন ব্যৱস্থাৰ বুজ লোৱাৰ বাবেও তেওঁলোক অসমলৈ আহিছে। দলটোৱে ইয়াৰ আগেয়ে কালি ক্ষেত্ৰ পৰ্যায়ত নিৰ্বাচনৰ প্ৰস্তুতি পৰ্যবেক্ষণ কৰাৰ উদ্দেশ্যে নিৰ্বাচনী সামগ্ৰী কেন্দ্ৰ আৰু নিয়ন্ত্ৰণ কক্ষসমূহ পৰিদৰ্শন কৰে।

oooooooo

কেৰালাম আৰু কেন্দ্ৰীয়শাসিত অঞ্চল পুডুচেৰীত আজি বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। কেৰালামৰ ১৪০টা আৰু পুডুচেৰীত ৩০টা সমষ্টিৰ বাবে একেটা পৰ্যায়ত ভোটগ্ৰহণ কৰা হৈছে। পুৱা ৭ বজাত ভোটগ্ৰহণ আৰম্ভ হৈছে আৰু সন্ধিয়া ৬ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। নিৰ্বাচন আয়োগে এই ভোটগ্ৰহণ মুক্ত, নিকা আৰু শান্তিপূৰ্ণ কৰি তুলিবলৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

কেৰালামৰ ১৪০টা সমষ্টিৰ বাবে ৮৮৩ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ৰাজ্যখনৰ ২ কোটি ৭১ লাখ ভোটদাতাই এই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ৰাজ্যখনত ৩০ হাজাৰ ৩৯৫টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ইয়াৰে ২ হেজাৰ ৪০টা স্পৰ্শকাতৰ হিচাপে চিহ্নিত হৈছে। নিৰ্বাচনৰ বাবে ৰাজ্যখনত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে আৰু ৭৬ হাজাৰৰো অধিক নিৰাপত্তা কৰ্মী নিয়োগ কৰা হৈছে। ৰাজ্যখনত আজি ভোটগ্ৰহণৰ বাবে ৰাজহুৱা বন্ধৰ দিন ঘোষণা কৰা হৈছে।

পুডুচেৰীৰ ৩০টা বিধানসভা সমষ্টিত ২৯৪ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ৯ লাখ ৫০ হাজাৰ ৬৩৯ গৰাকী ভোটদাতাই কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ এহেজাৰ ৯৯টা ভোটকেন্দ্ৰত ভোটদানৰ সুযোগ লাভ কৰিছে। ভোটদাতাসকলৰ ভিতৰত ২৪ হাজাৰ ৯১৯ গৰাকীয়ে প্ৰথমবাৰৰ বাবে ভোটদানৰ সুযোগ লাভ কৰিছে। ভোটকেন্দ্ৰসমূহৰ ২০৯টা স্পৰ্শকাতৰ আৰু ৫টা জটিল বুলি চিনাক্ত কৰা হৈছে। ৩০টা ভোটকেন্দ্ৰ মহিলাৰ দ্বাৰা, ১৫টা যুৱ প্ৰজন্মৰ বিষয়া-কৰ্মচাৰীৰ দ্বাৰা আৰু দুটা বিশেষভাৱে সক্ষমভাৱে লোকে পৰিচালনা কৰিছে। কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ সংস্কৃতি আৰু ঐতিহ্য প্ৰতিফলিত কৰিব পৰাকৈও ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। পুডুচেৰীত মাইক্ৰ' অবজাৰ্ভাৰ আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ অতিৰিক্ত বাহিনী মোতায়েন কৰা হৈছে।

ইপিনে তামিলনাডুত একেটা পৰ্যায়ত হ'বলগীয়া আৰু পশ্চিমবংগত প্ৰথম পৰ্যায়ত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিম দিন। পশ্চিমবংগত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ মনোনয়ন দাখিলৰো আজি অন্তিম দিন। ৪খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ভোটগণনা অহা ৪ মে'ত অনুষ্ঠিত হ'ব।

ooooooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত **১০ ফেব্রুৱাৰীৰ পৰা অনুষ্ঠিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল কাইলৈ পুৱা ঘোষণা কৰা হব। ফলাফলসমূহ sebaonline.org, resultassam.nic.in, asseb.in আদি ৱেবছাইটত উপলব্ধ হব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও আজি ধেমাজিত এই বিষয়ে প্ৰকাশ কৰে।**

**উল্লেখযোগ্য যে এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত মুঠ ৪ লাখ ৩৮ হাজাৰ ৫৬৫ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল।**

0000000

কেন্দ্ৰীয় মন্ত্ৰী সভাই অৰুণাচল প্ৰদেশৰ আনজাও জিলাত এহেজাৰ ২০০ মেগাৱাট শক্তি সম্পন্ন **কালাই-২** জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ বাবে বিনিয়োগৰ প্ৰস্তাৱত অনুমোদন জনাইছে। ইয়াৰ বাবে ১৪ হাজাৰ ১০৫ দশমিক ৮-৩ কোটি টকা ধাৰ্য্য কৰা হৈছে। মন্ত্ৰী সভাই লগতে ২৬ হাজাৰ ৬৯ দশমিক ৫ কোটি টকা ব্যয় সাপেক্ষে ৰাজ্যখনৰ কামলে, ক্ৰা দাদী আৰু কুৰুং কুমে জিলাত এহেজাৰ ৭২০ মেগাৱাট শক্তি সম্পন্ন কমলা জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ বাবে বিনিয়োগৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

0000000

মহিলা আৰু শিশু বিকাশ মন্ত্ৰ্যালয়ে আজিৰ পৰা **পৰিপুষ্টি পযেক**ৰ অষ্টম সংস্কৰণ ৰূপায়ণ কৰিব। দেশৰ পৰা পৰিপুষ্টিজনিত সমস্যা দূৰ কৰি সুস্থ ভাৰত গঢ়াৰ লক্ষ্যৰে এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে এইবাৰ জীৱনৰ প্ৰথম ছবছৰত শিশুৰ মগজুৰ বিকাশ সৰ্বাধিক কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। নতুন দিল্লীৰ বিজ্ঞান ভৱনত আজি বিয়লি ৩ বজাৰ পৰা আয়োজিত অনুষ্ঠানত এই পযেকৰ শুভাৰম্ভ কৰা হ'ব। এই সময়ছোৱাত শিশুৰ জন্মৰ পৰা প্ৰথম এহেজাৰ দিনৰ পৰিপুষ্টি নিশ্চিত কৰা, হিতাধিকাৰী সকলৰ মাজত পৰিপুষ্টি নিৰ্ণয়ৰ বাবে পৰ্যালোচনা কৰা, স্বাস্থ্য সন্মত জীৱনশৈলী গঢ়ি তুলি শিশুৰ মেদবহুলতা নিয়ন্ত্ৰণ কৰা আৰু সামগ্ৰিকভাৱে স্বাস্থ্য আৰু পৰিপুষ্টি নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। এই ১৫ টা দিনত সমগ্ৰ দেশৰ অংগনবাড়ী কেন্দ্ৰসমূহত মাতৃ, অভিভাৱক, পৰিয়াল আৰু স্থানীয় সংগঠনসমূহৰ সহযোগিতাৰে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। ইয়াৰ ভিতৰত পুষ্টি পঞ্চায়ত, সজাগতামূলক অভিযান, খেল-ধেমালীৰ মাধ্যমেৰে শিক্ষণ আৰু সুস্থ জীৱনশৈলী প্ৰসাৰৰ কাৰ্যসূচী লোৱা হ'ব।

000000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে দেলহী কেপিটেলছক এক ৰানত পৰাস্ত কৰে।

00000000

**সমাপ্ত**